**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-01-2025
**Time :** 12-05 Hrs.

***Assamese Bulletin (12.05 hrs.)***

আজি অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু। সমগ্ৰ ৰাজ্যতে বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভোগালী বিহু উপলক্ষে আজি জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মেজিৰ উত্তাপে সমাজৰ সকলো অশুভ শক্তি নাশ কৰিব বুলি তেওঁ কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু পালনৰ বাতৰি আমালৈ আহি আছে। নামনি অসমৰ বৰপেটাৰ লগতে কোনো কোনো ঠাইত আজি বিহুৰ উৰুকা পালন কৰা হ'ব। কামৰূপ জিলাত ভোগালী বিহু উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গাঁৱৰ ডেকা-বুঢ়াসকলে মেজিত অগ্নিসংযোগ কৰি তামোল-পাণেৰে সেৱা জনায়।

মাজুলী জিলাত আজি পৰম্পৰাগত নীতি-নিয়মৰ মাজেৰে মেজিত অগ্নি সংযোগ কৰা হয়। উজনি মাজুলীৰ চিৰাম দেৱত্তৰ গাঁৱৰ মিচিং ৰাইজেও আজি ভোগালী বিহু পালন কৰে। অগ্নি সেৱা কৰাৰ পাছত সকলোৱে প্ৰসাদ আৰু জা-জলপান গ্ৰহণ কৰে।

তামুলপুৰ জিলাতো ভোগালী বিহু উপলক্ষে জনসাধাৰণৰ মাজত উছাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। জিলাখনৰ মতঙা পাৰত আজি ভোগালী বিহু উদযাপন অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰে। তেওঁ অসমৰ প্ৰতিটো জনগোষ্ঠীকে বিহুৰ পৰম্পৰা ৰক্ষা কৰিবলৈ আহ্বান জনায়।

কোকৰাঝাৰ জিলাতো আজি ভোগালী বিহু আৰু দোমাসী পালন কৰা হৈছে। কোকৰাঝাৰত থকা বিটিচিৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন অঞ্চলত উৎসৱৰ আনন্দই বিৰাজ কৰিছে। জিলাখনৰ বড়ো, ৰাভা, কোচ-ৰাজবংশীকে ধৰি বিভিন্ন্ জনগোষ্ঠীৰ লোকসকলে পৰম্পৰা বজাই ৰাখি বিহু পালন কৰিছে।

নগাঁও জিলাৰ নেহৰুবালিত যোৱানিশাৰে পৰা ১১২ সংখ্যক ভোগালী উৎসৱ অনুষ্ঠিত হৈছে। ১৯ জানুৱাৰী পৰ্যন্ত চলিবলগীয়া এই কাৰ্যসূচী কালি সন্ধিয়া ভেলাঘৰত নাম-কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়।

শিৱসাগৰ নগৰৰ সমীপৰ বানমুখ, কোঁৱৰপুৰ, চেৰেকা পাৰৰ লগতে সমগ্ৰ জিলাখনতে বিহুৰ উৎসাহ উদ্দীপনা অব্যাহত আছে। নগৰখনৰ সমীপৰ জেঙনিকটীয়া পুলিচ ৰিজাৰ্ভত আজি আৰক্ষী বিষয়া কৰ্মচাৰীসকলে বিহু পালন কৰে। জিলাখনৰ ঠায়ে ঠায়ে পৰম্পৰাগত খেল-ধেমালি আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে।

বৰপেটা জিলাত আজিৰে পৰা সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে বিহু পালন কৰা হৈছে। জিলাখনত কাইলৈ অৰ্থাৎ পহিলা মাঘত মেজি জ্বলোৱা হ'ব। নিয়ম অনুসৰি কাইলৈ বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছতহে সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজি জ্বলোৱা হ'ব।

ooooo

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত আজি মন্ত্ৰী কেশৱ মহন্তই মালয়েছিয়াৰ বিনিয়োগ, বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ উপ মন্ত্ৰী লিউ চিন টঙৰ সৈতে আলোচনাত মিলিত হয়। কুৱালালামপুৰৰ মন্ত্ৰালয় ভৱনত হোৱা এই সাক্ষাৎ কালত ৰাজ্যখনৰ চেমি কণ্ডাক্টৰ খণ্ডৰ বিষয়ে উল্লেখ কৰি এই

ক্ষেত্ৰত বহু দূৰ অগ্ৰসৰ হোৱা দেশখনৰ পৰা পৰামৰ্শ বিচাৰে। মন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ ৰাজ্য চৰকাৰৰ হৈ মালয়েছিয়াৰ মন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। তদুপৰি এই সন্মিলনলৈ দেশখনৰ চেমি কণ্ডাক্টৰ খণ্ডৰ প্ৰতিনিধিসহ বাণিজ্য ক্ষেত্ৰৰ এটা উচ্চপৰ্যায়ৰ প্ৰতিনিধি দল প্ৰেৰণৰ বাবে শ্ৰীমহন্তই আহ্বান জনায়। এই সাক্ষাতৰ সময়ত মালয়েছিয়াত ভাৰতৰ উপ উচ্চায়ুক্ত সুভাষিণী নাৰায়ণনৰ উপৰি অসম চৰকাৰৰ শীৰ্ষ বিষয়া, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ যুটীয়া সচিব আৰু ফিক্কিৰ ছিংগাপুৰ অঞ্চলৰ সঞ্চালক নভিতা মায়েৰও উপস্থিত থাকে। শ্ৰী মহন্তই কালিও এই সন্মিলন সন্দৰ্ভত মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে চাৰিখন বৈঠকত মিলিত হৈছিল।

উল্লেখযোগ্য যে ৰাজ্যত অহা মাহত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শীৰ্ষ চৰকাৰী বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই সন্মিলনৰ অভ্যাগতসকলৰ থকা-খোৱাৰ সু-ব্যৱস্থা, সামগ্ৰী যোগান, মহানগৰীখনৰ সৌন্দৰ্য বৰ্ধন আৰু সমগ্ৰ অনুষ্ঠানটোৰ বাবে বিত্ত যোগান বিষয়ত আলোচনা কৰে। এই বিষয়ত সবিশেষ তথ্যৰ বাবে এটা ম'বাইল এপ আৰু ৱেব প'ৰ্টেল মুকলি কৰাৰ বিষয়েও বৈঠকত উল্লেখ কৰা হয়।

00000

জাগীৰোডৰ জোনবিলৰ পাৰত পৰহিলৈৰ পৰা ১৮ জানুৱাৰীলৈ এতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলাৰ আয়োজন কৰা হৈছে। পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শনস্বৰূপ এই মেলাৰ প্ৰস্তুতিৰ বুজ ল'বলৈ কালি মন্ত্ৰী পীযূষ হাজৰিকা মেলাস্থলী পৰিদৰ্শন কৰে।

উল্লেখযোগ্য যে প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। পৰহিলৈ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

0000

সমাপ্ত